# বিশ্ব স্তনপান সপ্তাহ
## (১–৭ আগষ্ট, ২০২১)

# সুৰক্ষিত স্তনপান :
## *ক’ত কাৰ দায়বদ্ধতা কিমান ?*

**বিশ্ব স্তনপান সপ্তাহ, ২০২১ ৰ লক্ষ্যসমূহ :**

- *কেচুৱা আৰু শিশুৰ বিকল্প গাখীৰ, খাদ্য/ গাখীৰ খুওৱা বটল প্ৰস্তুত কাৰক সকলৰ বিজ্ঞাপন, বিপনীৰ কুপ্ৰভাৱৰ পৰা মাতৃস্তনপানক সুৰক্ষিত কৰি ৰখাৰ প্ৰতি চৰকাৰ, সামাজিক সংস্থা তথা স্বাস্থ্যকৰ্মী সকলৰ সজাগতা বৃদ্ধি কৰা*
- *কেচুৱা আৰু শিশুৰ বিকল্প গাখীৰ, খাদ্য/ গাখীৰ খুওৱা বটল নিয়ন্ত্ৰণ আইন (আই এম এস এক্ট) সক্ৰিয় আৰু সফলভাৱে বলবৎ আৰু কাৰ্য্যকৰী কৰাৰ বাবে সজোৰে দাবী উত্থাপন কৰা*



# ভূমিকা

কেচুৱা আৰু কোমলমতীয়া শিশুক দুবছৰলৈ মাতৃদুগ্ধ পান কৰোৱাটো শিশুৰ সুৰক্ষিত জীৱন, পৰিপুষ্টি, বিকাশৰ আৰু মাতৃৰ অক্ষত স্বাস্থ্যৰ মুল চাবি-কাঠি। সমাজৰ তাৎকালিক আৰু নিৰন্তৰ

স্বাস্থ্য ৰক্ষাৰ বৃহত্তৰ স্বাৰ্থৰ ক্ষেত্ৰতো স্তনপানৰ অৰিহণা অপৰিসীম।[১] কেচুৱাক ছয়মাহ পূৰ হোৱালৈ

কেৱল মাতৃদুগ্ধৰে প্ৰতিপালন কৰা। ছয়মাহ সম্পূৰ্ণ হোৱাৰ

পিচত অইন পৰিপূৰক আহাৰ দিয়াৰ লগতে দুবছৰ বা ততোধিক বয়সলৈ মাতৃদুগ্ধ খুৱাই থাকি বয়স অনুপাতে প্ৰয়োজনীয় খাদ্যসম্ভাৰ খুৱাই থকাকে শিশুক শুদ্ধ আৰু সফলতাৰে  যতন লোৱা বুজায়।

সফল স্তনপান কৰাবলৈ হ'লে মাতৃগৰাকীক শিশুখাদ্যৰ বিকল্প গাখীৰ প্ৰস্তুতকাৰী প্ৰতিষ্ঠান সমুহৰ প্ৰলোভন নেওচিব পৰাকৈ সন্তান জন্ম দিয়া

চিকিৎসালয়তে নৱজাতক/জাতিকাক মাতৃৰ বুকুৰ গাখীৰ খুওৱাৰ উপকাৰিতাৰ উপদেশ দিয়াৰ লগতে মুখে-হাতে কেচুৱাই সহিক ভাৱে

স্তন পান কৰাত মাতৃগৰাকীয়ে সহায় পোৱা, কৰ্ম্মক্ষেত্ৰত কেচুৱা ৰাখি স্তন পান কৰাবলৈ আছুতীয়া স্থানৰ সুবিধা আৰু সহায় পাব লাগিব।

ভাৰতবৰ্ষত এই ক্ষেত্ৰত বহুতো নীতি-নিৰ্দেশনা তথা আইন্ন প্ৰণয়ন কৰা হৈছে, কিন্তু প্ৰায়োগিক ব্যৱহাৰৰ বাবে এতিয়াও বহুতো কৰিবলগীয়া আছে।[২] আমি যেতিয়া সুৰক্ষাৰ কথা কও, কেনেদৰে প্ৰস্তুতকাৰক সকলে স্তনপানক মূল্যহীন

কৰি তুলিছে সেয়া দুবছৰীয়া UNDERATTACK, 2021 ৰিপোৰ্টত স্পষ্ট ৰূপত ফুটি ওলাইছে।[৩] শিশুৰ গাখীৰৰ বিকল্প গাখীৰ.

খুওৱা বটল আৰু শিশু খাদ্য যোগান [উৎপাদন, আৰু বিতৰণ নিয়ন্ত্ৰণ] আইন, ১৯৯২ আৰু সংশোধনী আইন, ২০০৩ (আই এম এস এক্ট) আমাৰ দেশত আছে।

কিন্তু সফল প্ৰয়োগৰ কাৰণে ব্যাপক সজাগতা আৰু নিশ্চিত প্ৰয়োগৰ প্ৰয়োজন।



## পঞ্চম ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ (এন এফ এইচ এস ৫)ৰ পৰিসংখ্যা অনুযায়ী স্তন পানৰ বৰ্তমান স্থিতি

শিশুৰ সঠিক বৃদ্ধি আৰু বিকাশ তথা মাতৃৰ সুস্বাস্থ্যৰ বাবে মাতৃদুগ্ধৰ অপৰিসীম অৱদান আছে যদিও পৰিসংখ্যা আশাব্যঞ্জক নহয়। এন এফ এইচ এস ৫ ৰ ২২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰথম পৰ্য্যায়ৰ প্ৰতিবেদন অনুযায়ী ৮৮% সন্তান জন্ম চিকিৎসালয়ত হোৱাৰ বিপৰীতে মাথো ৫১% নবজাতক/জাতিকাই জন্মৰ প্ৰথম ঘন্টাৰ ভিতৰত মাতৃদুগ্ধ পান কৰাৰ সুযোগ পায়। জন্মৰ পৰা ছয় মাহ পূৰ হোৱা ৬১.৯% কেচুৱাইহে একমাত্ৰ মাকৰ বুকুৰ গাখীৰ খাই ডাঙৰ হোৱাৰ সুযোগ পায়, ৫৬% কেচুৱাই ৬ – ৮ মাহ বয়সত সঠিক পৰিপূৰক খাদ্য খাবলৈ আৰু মাথো ১৬.১% ছয় মাহৰ পৰা তেইশমাহৰ শিশুৱেহে উপযুক্ত খাদ্য পৰ্য্যাপ্ত পৰিমাণত খাবলৈ পায়। সেইকাৰণেই ২৬.৯% শিশু কম ওজনৰ, ১৮.১% ক্ষীণ, নিশকতীয়া, ৩১.৯% চুটি–চাপৰ আৰু ৫.৫% শকত। ৮৮% সন্তান জন্ম চিকিৎসালয়ত হোৱা স্বত্তেও মাথো ৫১% নবজাতক/জাতিকাই জন্মৰ প্ৰথম ঘন্টাৰ ভিতৰত মাতৃদুগ্ধ পান কৰাৰ সুযোগ পোৱাৰ অৰ্থ চিকিৎসালয়ত জন্ম হোৱাৰ কাৰণেহে কেচুৱাথিনিয়ে জীৱনৰ প্ৰথম পালি প্ৰতিষেধকৰ পৰা বঞ্চিত হব লগা হ'ল। অধিক চিন্তাৰ কথা হৈছে যে ২০১৫ চনৰ এন এফ এইচ এস ৪ ৰ তুলনাত ২.৫% হ্ৰাস হৈছে জন্মৰ এঘন্টাৰ ভিতৰতে কেচুৱাক বুকুৰ গাখীৰ খুওৱাটো।[8]আমাৰ ৰাজ্য অসমৰ পৰিসংখ্যা অধিক চিন্তনীয় ।

আমাৰ ৰাজ্য অসমত চিকিৎসালয়ত প্ৰসব ৮৪.১% হয় যদিও মাথো ৪৯.১% নবজাতক/জাতিকাইহে জন্মৰ প্ৰথম ঘন্টাৰ ভিতৰত মাতৃদুগ্ধ পান কৰাৰ সুযোগ পায়, ছয় মাহ পূৰ হোৱালৈ একমাত্ৰ মাকৰ বুকুৰ গাখীৰ ৬৩।৫%, ছয়–আঠ মাহৰ ভিতৰত পৰিপূৰক খাদ্য ৫১.৭% আৰু দুবছৰলৈ পৰ্যাপ্ত খাদ্য ৮% শিশুৱেহে পায়। এঘন্টাৰ ভিতৰত মাতৃদুগ্ধ পান কৰোৱাটো ২০১৫ চনৰ এন এফ এইচ এস ৪ ৰ তুলনাত ১৫.৩% হ্ৰাস হৈছে। একেদৰে ছয়মাহলৈ একমাত্ৰ মাতৃদুগ্ধ ০।১% হ্ৰাস (৬৩.৬%). পৰিপূৰক খাদ্য ১।৮% বৃদ্ধি (৪৯.৯%) আৰু দুবছৰলৈ পৰ্যাপ্ত খাদ্য ০.৯% হ্ৰাস (৮.৯%) হৈছে।




## কেচুৱা আৰু কোমলমতীয়া শিশুৰ দুবছৰলৈ খাদ্যাভ্যাস অসন্তুলিত হোৱাৰ কাৰণসমুহ

স্বাস্থ্যসেৱা সহায়ক-সহায়িকাৰ পাৰদৰ্শিতাৰ অভাৱ, সহায় কৰাৰ মনোভাৱৰ অভাৱ, বিকল্প গাখীৰ আৰু খাদ্য প্ৰস্তুত কৰোতা সকলৰ সক্ৰিয় প্ৰচাৰ আৰু কৰ্ম্মস্থানত স্তনপান কৰোৱাৰ বাবে ক্ৰেছ আদিৰ সুবিধা নথকা তথা অসংগঠিত খণ্ডত যথেষ্ট সংখ্যক মাতৃয়ে কাম কৰা আদিকে ধৰি বহুতো কাৰণ উনুকিয়াব পাৰি।

প্ৰস্তুতকাৰক সকলে চোচিয়েল মেডিয়াৰ সহায়ত নিত্য নতুন উপায়েৰে তেওঁলোকৰ উৎপাদিত সামগ্ৰী সমুহ প্ৰচাৰ কৰি পিতৃ-মাতৃ আৰু পৰিয়ালৰ মানুহৰ মনবিলাক বিকল্প গাখীৰ আৰু খাদ্যৰ প্ৰতি আকৃষ্ট কৰে। দুৰ্ভাগ্যজনকভাৱে ইয়াৰ ফলত মাতৃদুগ্ধপান হ্ৰাস পাবলৈ ধৰিছে।

চিজাৰিয়ান অস্ত্ৰোপচাৰৰ দ্বাৰা জন্ম দিয়া কেচুৱাবোৰক নিলগাই ৰখাৰ প্ৰথা, বিশেষকৈ ব্যক্তিগত চিকিৎসালয় বোৰত, উদ্বেগজনক। সহায় কৰিবলৈ পৰ্য্যাপ্ত সংখ্যক প্ৰশিক্ষিত, আগ্ৰহী স্বাস্থ্যকৰ্ম্মী নথকাৰ ফলতো কেচুৱাৰ স্তনপান বিঘ্নিত হৈছে। স্বাস্থ্যকেন্দ্ৰসমুহত যধে-মধে বিকল্প গাখীৰৰ ব্যৱহাৰ কেনেদৰে আঁতৰাব পাৰি সেয়াও গভীৰভাৱে চিন্তনীয়। এনেবোৰ কাৰণ আঁতৰাব নোৱাৰাৰ ফলত মাতৃ দুগ্ধ পান কৰোৱাৰ হাৰ হ্ৰাস পাইছে।



# ভাৰতত আই এম এস আইন ৰূপায়নৰ স্বৰূপ

শিশুৰ গাখীৰৰ বিকল্প গাখীৰ, খাদ্য, গাখীৰ খুওৱা বটল আৰু শিশু খাদ্য [উৎপাদন, যোগান আৰু বিতৰণ নিয়ন্ত্রণ] আইন, ১৯৯২ আৰু সংশোধনী আইন, ২০০৩ (আই এম এস এক্ট)। নানান উপায়েৰে এই আইন উলঙ্ঘা কৰা হয়। ইউটিউব, ইনষ্টাগ্ৰাম, ব্লগিং আদি নানা মাধ্যমত বিজ্ঞাপন দি বিকল্প গাখীৰ আৰু শিশু খাদ্যৰ বিক্ৰী আৰু ব্যৱহাৰ বঢ়োৱা হৈ আছে।

বিগত দুই বছৰত বি পি এন আই (ব্ৰেষ্টফিডিং প্ৰমোচন নেটওৱৰ্ক অফ ইণ্ডিয়া) য়ে ৩৩ টি আইন উলঙ্ঘণৰ ঘটনা ধৰা পেলাইছে। স্মৰ্তব্য এয়া মাথো প্ৰকৃত সংখ্যাৰ কিয়দংশহে। সৰহ খিনিয়ে দৃষ্টিগোচৰ নোহোৱাকৈ আছে।

ভাৰতত এখন সক্তিসালী আইন আছে। কিন্তু ইয়াৰ ৰূপায়ণ স্বাস্থ্যকেন্দ্ৰ আৰু ৰাইজৰ মাজত সাৰ্থকভাৱে হোৱা নাই।

## আই এম এস আইনৰ বিধিসমূহ

শিশুৰ গাখীৰৰ বিকল্প গাখীৰ, খাদ্য, গাখীৰ খুওৱা বটল আৰু শিশু খাদ্য [উৎপাদন, যোগান আৰু বিতৰণ নিয়ন্ত্রণ] আইন, ১৯৯২ আৰু সংশোধনী আইন, ২০০৩ (আই এম এস এক্ট)



*গৱেষণামূলক আলোচনীত বিজ্ঞাপন*

## এই আইন উলঙ্ঘা কৰা হব →



*টেলিভিচন বা আলোচনী-কাকতত বিজ্ঞাপন*

১) যদিহে যি কোনো নামেৰেই জন্মৰ পৰা দুবছৰীয়া শিশুৰ বাবে যি কোনো খাদ্য বিক্ৰীৰ কাৰণে কোনো ব্যৱস্থা কৰে

২) যদিহে টেলিভিচন, বাতৰি কাকত, আলোচনী, এচ এম এচ, ই-মেইল, ৰেডিও, হেণ্ডবিল আদিৰে মাতৃদুগ্ধৰ বিকল্প গাখীৰ, খাদ্য, বটল আদি আই এম এস আইনৰ অধীনৰ যি কোনো সামগ্ৰীৰ বিজ্ঞাপনৰ ব্যৱস্থা কৰে

৩) যদিহে প্ৰস্তুতকৰ্তা অথবা তেওঁলোকৰ প্ৰতিনিধিয়ে মাতৃদুগ্ধৰ বিকল্প খাদ্য, খাদ্য, বটল আদি বিতৰণ কৰে অথবা গৰ্ভৱতী মাতৃ, স্তনদায়িনী মাতৃক পোনপটীয়াকৈ লগ ধৰে

৪) যদিহে প্ৰস্তুতকৰ্তা, বিতৰক, যোগান ধৰোতাই মাতৃদুগ্ধৰ বিকল্প গাখীৰ, খাদ্য, বটল আদি ব্যৱহাৰ কৰাৰ বা বিক্ৰী কৰাৰ বিনিময়ত উপঢৌকন অথবা বিনামূলীয়াকৈ সামগ্ৰী যোগান ধৰে




*ইউটিউবত প্ৰচাৰ*



*বিনামূলীয়া যোগান*




*ৰেহাই মূল্যত বিক্ৰীৰ সামগ্ৰী*

# আই এম এচ আইনৰ বিধিসমূহ

শিশুৰ গাখীৰৰ বিকল্প গাখীৰ, খাদ্য, গাখীৰ খুওৱা বটল আৰু শিশু খাদ্য [উৎপাদন, যোগান আৰু বিতৰণ নিয়ন্ত্রণ] আইন, ১৯৯২ আৰু সংশোধনী আইন, ২০০৩

৫) যদিহে প্রস্তুতকর্তা, বিতৰক, যোগান ধৰোতাই বিক্রী বঢ়োৱাৰ কাৰণে মাতৃদুগ্ধৰ বিকল্প গাখীৰ, খাদ্য, বটল আদি ব্যৱহাৰ কৰাৰ বিষয়ে তথ্য সম্বলিত কাগজ, শৈক্ষিক সামগ্রী বিতৰণ কৰে



*লেবেলিং আৰু সামগ্রী বিতৰণ*

৬) যদিহে তেনে সামগ্রীৰ টিন, বাকচ, লগত দিয়া কাগজ-পত্রত বিক্রী বঢ়াব পৰাকৈ মাক বা কেচুৱাৰ ফটো, কার্টুন, গ্রাফিকচ, শ্লোগান বা অন্য ছবি থাকে

৭) যদিহে চিকিৎসালয়, নার্চিং হোম, ঔষধৰ দোকানত প্লেকার্ড, শিশু খাদ্যৰ পোষ্টাৰ আদি বিক্রী বঢ়োৱাৰ কাৰণে প্রদর্শন কৰে



৮) যদিহে প্রস্তুতকর্তা, বিতৰক, যোগান ধৰোতাই স্বাস্থ্যকর্মী বা তেওঁলোকৰ পৰিয়ালৰ লোকক নগদ ধন বা সামগ্রী উপঢৌকণ দি বিক্রী বৃদ্ধিৰ ব্যৱস্থা কৰে

৯) যদিহে প্রস্তুতকর্তা, বিতৰক, যোগান ধৰোতাই ভ্রমণ / উচ্চ শিক্ষা, গৱেষণা, সভা, আলোচনা চক্র, স্বাস্থ্যকর্মীৰ সংস্থা আদি ৰ বাবে খৰছ বহন কৰে বা অনুদান দিয়ে






*স্বাস্থ্যকর্মী বা স্বাস্থ্যকর্মীৰ সংস্থা আদি ৰ খৰছ বহন*

১০) যদিহে প্রস্তুতকর্তা, বিতৰক, যোগান ধৰোতাই কর্মচাৰীৰ বাবে বিক্রীৰ ওপৰত নির্ভৰশীল কমিচন নির্দ্ধাৰণ কৰে

# কৰিবলগীয়া কামৰ ৰূপৰেখা

## চৰকাৰে কি কৰিব পাৰে ?

- প্রত্যেক ৰাজ্যৰ কাৰণে মনিটৰিং ৰিপোর্ট প্রস্তুতৰ কাৰণে নিৰীক্ষণ পুঁজিৰ যোগান ধৰা।
- ভাৰত চৰকাৰে জিলা স্বাস্থ্য বিষয়া সকলক " অধিকৃত বিষয়া" ৰূপে মনোনীত কৰি পত্র প্রেৰণ কৰিছে। একেদৰে খাদ্য নিৰাপত্তা বিষয়া সকলকো আই এম এস আইন কার্য্যকৰীকৰণৰ নিৰীক্ষকৰ দায়িত্ব FSSAI এ দিছে। ৰাজ্য চৰকাৰ সমূহে এই দুই বিষয়াৰ প্রশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।
- উলঙ্ঘনৰ সকলো ঘটনা উপযুক্ত ৰূপত তদন্ত কৰি শাস্তি প্রদানৰ ব্যৱস্থা জোৰদাৰ কৰিব লাগে।
- যি কোনো উলঙ্ঘনৰ ঘটনা সকলো স্বাস্থ্যকর্মীয়ে কর্তৃপক্ষক জনোৱাটো বাধ্যতামুলক কৰিব লাগে। "স্তনপান সুৰক্ষা" মোবাইল এপ ব্যৱহাৰ কৰিব পাৰি।
- চিকিৎসালয় সমূহত স্তনপানৰ বিষয়ে মুখে-হাতে-কামে সহায় কৰিবলৈ পাৰদর্শী ‘লেক্টেচন কাউঞ্চেলৰ’ নিয়োগ কৰিব লাগে।
- প্রতিখন জিলাতে আই এম এস আইনৰ ওপৰত আলোচনা চক্র, প্রশিক্ষণ শিবিৰ পাতিব লাগে।
- স্থানীয় ভাষাৰে বিভিন্ন প্রচাৰ পুস্তিকা প্রস্তুত কৰি ৰাইজৰ মাজত বিতৰণ কৰিব লাগে।

## স্বাস্থ্য কৰ্মী আৰু বিশেষজ্ঞসকলে কি কৰিব পাৰে ?

- চিকিৎসালয় আৰু চিকিৎসককে ধৰি সকলো স্বাস্থ্যকৰ্মীয়ে আইনখন আখৰেআখৰে পালন কৰিব লাগে।
- যি কোনো উপহাৰ, উপঢৌকণ প্ৰত্যাখ্যান কৰিব লাগে।

## সামাজিক অনুষ্ঠান সমূহে কি কৰিব পাৰে ?

- স্বাস্থ্যমন্ত্ৰীলৈ চিঠি লিখিব লাগে, ফেচবুক, টুইটাৰ, ইনষ্টাগ্ৰামত লিখিব লাগে।
- বি পি এন আই ৰ লগত সহযোগ, স্বেচ্ছাসেৱকৰূপে যোগদান।
- "স্তনপান সুৰক্ষা" মোবাইল এপ ব্যৱহাৰ কৰি যি কোনো উলঙ্ঘনৰ ঘটনা জনাব পাৰে।
- বি পি এন আইৰ সমল ব্যৱহাৰ কৰি নিজ নিজ অঞ্চলত এই আইনৰ বিষয়ে সজাগতাৰ ব্যৱস্থা কৰিব পাৰে।

**RESOURCES**
Visit BPNI Website






Indian law to Protect Breastfeeding -spoken tutorial on YouTube


***References***

[1] https://www.who.int/news-room/commentaries/detail/breastfeeding-and-covid-19
[2] India Policy Report 2018 : https://www.worldbreastfeedingtrends.org/uploads/country-data/country-report/WBTi-India-Report-2018.pdf
[3] https://www.bpni.org/world-breastfeeding-protection-day/
[4] The Feeding Fiasco Phase-I - The Sunday Guardian Live by Dr Arun Gupta https://www.sundayguardianlive.com/news/feeding-fiasco-phase



bpni
Breastfeeding Promotion Network of India (BPNI)
Address: BP-33, Pitampura, Delhi 110 034. Tel: +91-11-27312705, 42683059
bpni@bpni.org  http://www.bpni.org
@bpniindia  @bpni.org
https://www.youtube.com/user/bpniindia


### বিপিএনআই সম্পৰ্কে

ব্ৰেষ্টফিডিং প্ৰমোচন নেটওৱৰ্ক ওফ ইণ্ডিয়া (বিপিএনআই) এক ২৯ বছৰীয়া স্বতন্ত্ৰ, লাভ নিবিচৰা, ৰাষ্ট্ৰীয় সংস্থা যি সংস্থাই কেচুৱা আৰু শিশুৰ স্তনপান আৰু সঠিক পৰিপূৰক আহাৰৰ সুৰক্ষা, প্ৰচলন আৰু সহায়কৰ কাম কৰি আহিছে। নীতি বিশ্লেষণ, ওকালতি, সামাজিক গ্ৰহণযোগ্যতা বৃদ্ধি, তথ্য আদান প্ৰদান, শিক্ষা, গবেষণা, প্ৰশিক্ষণ আৰু নিকায় সমূহে আইএমএচ আইন মানি চলিছেনে লক্ষ্য কৰি বিপিএনআইয়ে কাম কৰি আহিছে। বিপিএনআই ইন্টাৰনেচনেল বেবী ফুড একচন নেটওৱৰ্ক [International Baby Food Action Network (IBFAN)] এচিয়া মহাদেশৰ আঞ্চলিক সমন্বয়ৰক্ষী কাৰ্যালয়। বিপিএনআই য়ে ওৱৰ্ল্ড ব্ৰেষ্টফিদিং ট্ৰেণ্ডস ইনিচিয়েটিভৰ [World Breastfeeding Trends Initiative (WBT )] আচনিৰ গোলোকীয় সচিব কাৰ্যালয় হিচবেও কাম কৰে য'ত নীতি আৰু আচনি পৰ্য্যালোচনা কৰি বিভিন্ন দেশৰ লগত যোগাযোগ কৰা হয়।।

### বিপিএনআইৰ নীতি

বিপিএনআই য়ে শিশু খাদ্য, গাখীৰ খুওৱা বটল আৰু কেচুৱাক খুৱাবলৈ সজুলি প্ৰস্তুত কৰা কোম্পানীসমুহৰ পৰা কোনো পুঁজি বা অইন সাহাৰ্য্য গ্ৰহণ নকৰে। বিপিএনআইৰ ঘোষিত নীতিৰ পৰিপন্থী কাম কৰা সংস্থা লগত কেতিয়াও সহযোগ নকৰে।


**ৰচনা আৰু সম্পাদনা** : য়াচিকা যোশী, নুপুৰ বিদলা, অৰুণ গুপ্তা ।
**পুণৰীক্ষণ** : ৰীতা গুপ্তা ।
**আৰ্হি প্ৰস্তুত** : অমিত ডাহিয়া।
**কৃতজ্ঞতা** : বিপিএনআই (BPNI) এ কেন্দ্ৰীয় সমন্বয়ৰক্ষী সমিতিৰ সদস্য-সদস্যা সকলক পুণৰীক্ষণ, তথ্য যোগযযন আৰু মন্তব্যৰ বাবে ধন্যবাদ যাচিছে

Assamese transliteration : Dr Bishnu Prosad Adhikary (Contact no. 9435048442, bpadhikary12@gmail.com
on behalf of fb page AMRITTMAN (a Social and Community fb page) & Association for Promotion of Child Nutrition (APCN), Assam.
অসমীয়া তাৱানুবাদ : ডাঃ বিষ্ণু প্ৰসাদ অধিকাৰী। "অমৃতমান" ফেচবুক পৃষ্ঠা তথা এচোচিয়েচন ফৰ প্ৰমোচন অব চাইল্ড নিউট্ৰিচন (এপিচিএন), অসম ৰ হৈ।


Association for Promotion of Child Nutrition

AMRITTMAN

AMRITTMAN is a Social and Community fb page. & Association for Promotion of Child Nutrition (APCN) is a nonprofit organization established in the state of Assam, with the objective of improving child nutrition status in the state, thereby reducing Infant & Under Five mortality, morbidity associated with nutritional status and improving the quality of child health. APCN continues to work for promotion, support and protection of breastfeeding & complementary feeding through education/orientation/ awareness programs for health professionals/ media persons/ opinion leaders/ community and para health personnel on nutrition and health.

Amrittman and APCN do not accept fund or other support from companies producing baby food, Infant Feeding bottle or infant feeding related equipments and does not associate with organizations having 'Conflict of Interest'.

Local address for contact :
House no. 2 near Hindustani Kendriya Vidyalaya, Dinesh Ojha Road, Bhangagarh, Guwahati – 781005.

অমৃতমান এক সামাজিক পেজ।

এচোচিয়েচন ফৰ প্ৰমোচন অব চাইল্ড নিউট্ৰিচন (এপিচিএন), অসম এটি লাভ নিবিচৰা সংগঠন। এপিচিএন, অসম ৰাজ্যখনত শিশুৰ সুস্বাস্থ্য আৰু গুণগত বিকাশৰ আৰু পৰিপুষ্টিৰ লগত সম্বন্ধ থকা কেচুৱা তথা পাচ বছৰৰ তলৰ শিশুৰ ৰোগ তথা মৃত্যু হ্ৰাস কৰাত অৰিহণা যোগোৱাৰ লক্ষ্যৰে প্ৰতিস্থিত। স্বাস্থ্য কৰ্মী, জনসাধাৰণ, স্থানীয় নেতা তথা প্ৰচাৰ মাধ্যমৰ মাজত স্তনপান আৰু পৰিপূৰক খাদ্যৰ প্ৰসাৰ, সহায় আৰু সুৰক্ষাৰ কাৰণে শিক্ষা সমল, প্ৰশিক্ষণ, সজাগতা অভিযান চলাই আহিছে।

এ পি চি এন এ কেচুৱাৰ খাদ্য, কেচুৱাক গাখীৰ খুওৱা বটল তথা অন্য আহিলা প্ৰস্তুত কৰা কোনো কোম্পানীৰ পৰা পুঁজি অথবা অন্য সাহয্য গ্ৰহণ নক্ৰে আৰু আমাৰ উদ্দেশ্যৰ লগত সংঘাত হোৱা কোনো অনুষ্ঠানৰ লগত সম্পৰ্ক নাৰাখে।

যোগাযোগৰ ঠিকনা :
গৃহ ২, হিন্দুস্তানী কেন্দ্ৰীয় বিদ্যালয়ৰ সমীপত,
দীনেশ ওঝা পথ, ভঙাগড়, গুৱাহাটী-৭৮১০০৫।